# বিক্ৰী কৰিব'লৈও একো নাই অৰু দেখুৱাবলৈও একো নাই

**দিনাংক - ২৩ জানুৱাৰী ২০১৪**

**অৰুণ জেটলী**

**ৰাজ্যসভাৰ বিৰোধী দ'লৰ নেতা**

প্ৰতিকূল ৰাজনৈতিক পৰিস্থিতিত যুজঁ দিয়াত অক্ষম পৰিলক্ষিত হোৱাৰ পাছত ইউ পি এৰ দুজন বিশিষ্ট নেতাই শেষত মুখ খুলিলে । ৱৰ্ল্ড ইকনমিক ফ'ৰমত অংশগ্ৰহণ কৰিব'লৈ পি চিদাম্বৰম এতিয়া ডাৱচত আছে । আশা কৰা হৈছিল যে য'ত বিভিন্ন দেশৰ ৰাজনৈতিক আৰু বাণিজ্যৰ নেতৃত্ব মিলিত হ'ব তাত তেওঁ ভাৰতীয় অৰ্থনীতিৰ কথা উল্লেখ কৰিব । কিন্তু ইয়াৰ বিপৰীতে তেওঁ বি জে পি আৰু মোডীক লৈহে ভাষণ দিয়া দেখা গ'ল । ৰাষ্ট্ৰীয় অৰ্থনৈতিক পৰিচালনাৰ ক্ষমতা বি জে পি ৰ আছেনে নাই তাক লৈ  প্ৰশ্ন উত্থাপন কৰিছে । দৰ্শকৰ নিশ্চয় মনত আছে যে ১৯৯৮ ৰ পৰা ২০০৪ লৈকে ভাৰতীয় অৰ্থনীতিৰ ব্যৱস্থা কেনে আছিল । সেই সময়ৰ সমালোচনা কৰিব লগা কথা  ইমান বেছি নাই । ডাৱচত যি দিনা তেওঁ বি জে পি আৰু নৰেন্দ্ৰ মোডীক লৈ যেতিয়া ভাষণ দিছিল, ঠিক একেদিনাই 'মোদি' নামৰ এজেঞ্চিয়েও ভাৰতৰ অৰ্থনৈতিক প্ৰতিবেদন উলিয়াইছিল যাৰ বিভিন্ন সংবাদ মাধ্যমত প্ৰকাশ কৰা হৈছিল । এই প্ৰতিবেদনৰ মতে যেতিয়া নৰেন্দ্ৰ মোডীৰ জড়িয়তে ৰাজনৈতিক পৰিবৰ্ত্তন আহিব সেই সময়লৈ উদ্যোগিকসকলে বাট চাই আছে ।

কপিল চিব্বলে পৰম্পৰাগত ৰীতিত বিৰোধী দ'লৰ বিৰুদ্ধে বক্তব্য প্ৰকাশ কৰিছে । তেওঁৰ ব্লগ অনুসৰি নৰেন্দ্ৰ মোডী হৈছে এজন চেলচ্‌মেন আৰু কেজৰিৱাল হৈছে এজন শ্ব'মেন । মধ্যপ্ৰদেশ, চত্তীশগড়, ৰাজস্থান, গুজৰাট আৰু গোৱা, যাক আজিৰ সময়ত ভাল ব্যৱস্থাপিত ৰাজ্য হিচাপে বিবেচনা কৰা হয় আৰু যাৰ জি ডি পি ৰ বিকশিত হাৰ ৰাষ্ট্ৰীয় গড়তকৈও অধিক এই তথ্যক  তেওঁ আৰু বিত্তমন্ত্ৰীয়ে আওকান কৰাই নহয় এইয়াও পাহৰি গ'ল যে ইয়াৰে তিনিখন ৰাজ্য কিছুদিন আগলৈকে বেমাৰীৰ শিতানত অন্তৰ্ভূক্ত আছিল । আনকি মধ্যপ্ৰদেশ অৰু গুজৰাটৰ দ্বৰে ৰাজ্যত কৃষিৰ বিকাশ দ্বৈত সংখ্যাত হৈছে যাৰ ফলত জনসাধাৰণৰ মাজত সমৃদ্ধি আনিছে ।

কিন্তু কপিল চিব্বলে চেলচমেনৰ প্ৰসংগত যি কথা কৈছে তাৰ অৰ্থ বেলেগ । তেওঁ সুধিছে যে বি এছ য়দুৰপ্পা, পুন: দ'ললৈ অহাৰ পাছতো মোডীয়ে কিয় একো প্ৰতিক্ৰিয়া জনোৱা নাই । ইয়াৰ পাছত তেওঁ বি জে পি শাসিত ৰাজ্যসমূহৰ অভিযোগ প্ৰমাণিত নোহোৱা মন্ত্ৰীৰ কথা উল্লেখ কৰে ।

বি এছ য়দুৰপ্পাৰ বিৰুদ্ধে যি সময়ত চাৰ্জশ্বিট দাখিল কৰা হৈছিল দ'লে তেতিয়াই তেওঁক পদত্যাগ কৰিব'লৈ কৈছিল । ইয়াৰ ফলত কৰ্ণাটকত দ'লৰ বিভাজন হ'ল আৰু ৰাজ্য চৰকাৰৰ শাসনো হেৰুৱাব লগা হ'ল । আজি তেওঁ কোনো ধৰণৰ চৰ্ত্ত নোহোৱাকৈ দ'লত পুনঃ সহযোগিতা আগবঢ়াইছে । তেওঁৰ বিৰুদ্ধে থকা কিছুমান অভিযোগ উচ্চ ন্যায়লয়ে খাৰিচ কৰিছে । আৰু কিছুমানৰ এতিয়ালৈকে শুনানীয়ে আৰম্ভ হোৱা নাই । দ'লে তেওঁক কোনো আসন দিয়া নাই কিন্তু তথাপিও তেওঁ কোনো চৰ্ত্ত নোহোৱাকে দ'লৰ হকে কাম কৰোৱাৰ ইচ্ছা প্ৰকাশ কৰিছে ।

ইয়াৰ পৰিবৰ্ত্তে কপিল চিব্বলৰ নিজৰ দ'লে কি কৰিছে ? তেওঁলোকে অভিযোগী লালু প্ৰসাদ য়াদৱৰ লগত সহযোগিতা আগবঢ়াইছে । ভূতপূৰ্ব মুখ্যমন্ত্ৰী অশোক চৌহানক আইনগত ব্যৱস্থাৰ পৰা যিহেতু গৱৰ্নৰে বচোৱাৰ কথা নাকচ কৰিলে সেয়েহে তেওঁক সুৰক্ষা দিয়াৰ সিদ্ধান্ত লৈছে । তেওঁলোকৰ চৰকাৰ ২ জি আৱণ্টন আৰু কয়লা আৱণ্টনৰ দ্বৰে বৃহৎ কেলেংকাৰীৰ গুচৰত জড়িত আছে । ভাৰতৰ শক্তি বিভাগ ভুক্তভূগী হৈছে যিহেতু কয়লা খনি বোৰ অক্ষম হৈ আছে । হিমাচল প্ৰদেশৰ মুখ্যমন্ত্ৰীয়ে বেআইনীভাৱে ধন সংগ্ৰহ কৰাৰ কথা জনাৰ পাছতো এই দ'লৰ নেতৃত্বই তেওঁৰ বিৰুদ্ধে কোনো পদক্ষেপ গ্ৰহণ কৰা নাই । মই বিশ্বাসী যে নেতাসকলৰ পুত্ৰ আৰু জুৱাঁই ব্যৱসায়িক লেনদেনৰ কথা কপিল চিব্বলে গম নাপায় । তেওঁলোকৰ দ'লে দেশক এনে চৰকাৰ দিছে যি ইতিহাসত দুৰ্নীতিপূৰ্ণ চৰকাৰ হিচাপে দেখা দিব । ভাৰতীয় অৰ্থনীতিত বিনিয়োগকাৰীৰ উৎসাহ একেবাৰে নোহোৱাৰ দ্বৰেই হৈছে । কিছু দিন পূৰ্বে বিধানসভা নিৰ্বাচনত মূল্যবৃদ্ধি আৰু কেলেংকাৰীৰ বিষয়টোৱে দ'লক নিঃশেষ কৰি পেলাইছে । দুই দ'লৰ নেতৃত্ব আৰু চৰকাৰক প্ৰেৰণাবিহীন দেখা গৈছে । তেওঁলোকৰ বিত্তীয়মন্ত্ৰীয়ে যোৱাকালি মানি লৈছে যে আগন্তুক নিৰ্বাচনত তেওঁলোক দ্বিতীয় দ'ল হিচাপে নামিব । ভাৰতীয় সংসদীয় নিৰ্বাচনৰ ইতিহাসত কংগ্ৰেছ দ'লে এইবাৰ নুন্যতম আসনহে পাব ।

এই দ'লে বিৰোধী দ'লক চেলছমেন আৰু শ্ব'মেন হিচাপে বিৰোধিতা কৰাৰ বিচাৰ কৰিব পাৰে । অতি দুখজনক যে এই দেশৰ ভোটদাতাসকলক এই দ'লৰ ওচৰত বিক্ৰীৰ বাবেও একো নাই আৰু দেখুৱাবলৈও একো নাই ।